সিহঁতে যে তোমাৰ সৈতে বিশ্বাসঘাতকতা কৰে, তোমাৰ অবাধ্যতা কৰে আৰু তোমাৰ লগত মিছা কথা কয়, আৰু ইয়াৰ ফলত তুমি সিহঁতক যি শাস্তি বিহা, এই সকলোবোৰৰ হিচাপ-নিকাচ হ'ব

আয়িশ্বাহ ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিতঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত বহি থকা এজন ব্যক্তিয়ে সুধিলে, হে আল্লাহৰ ৰাছুল! মোৰ কেইজনমান দাস আছে, সিহঁতে মোৰ ওচৰত মিছা কথা কয়, মোৰ সৈতে বিশ্বাসঘাতকতা কৰে, আৰু মোৰ অবাধ্যতাত লিপ্ত থাকে। ইয়াৰ কাৰণে মই সিহঁতক গালিও পাৰোঁ আৰু কেতিয়াবা মাৰপিটো কৰোঁ। সিহঁতৰ সৈতে এই ব্যৱহাৰ কৰাৰ কাৰণে (ক্বিয়ামতৰ দিনা) মোৰ অৱস্থা কি হ'ব? তেখেতে ক'লেঃ সিহঁতে যে তোমাৰ সৈতে বিশ্বাসঘাতকতা কৰে, তোমাৰ অবাধ্যতা কৰে আৰু তোমাৰ লগত মিছা কথা কয়, আৰু ইয়াৰ ফলত তুমি সিহঁতক যি শাস্তি বিহা, এই সকলোবোৰৰ হিচাপ-নিকাচ হ'ব। তুমি সিহঁতক যি শাস্তি দিছা, সেয়া যদি সিহঁতে কৰা অপৰাধৰ সমান হয় তেন্তে ঠিকেই আছে। তোমাৰো কোনো অসুবিধা নহ'ব আৰু সিহঁতৰো কোনো অসুবিধা নহ'ব। আনহাতে যদি তুমি দিয়া শাস্তি সিহঁতৰ অপৰাধৰ তুলনাত কম হয় তেন্তে তোমাৰ বাবে আছে অতিৰিক্ত ছোৱাব। পক্ষান্তৰে যদি সিহঁতৰ অপৰাধৰ তুলনাত তোমাৰ শাস্তি বেছি হয় তেন্তে তোমাৰ ছোৱাব হ্ৰাস কৰা হ'ব। বৰ্ণনাকাৰীয়ে কৈছেঃ এই কথা শুনাৰ লগে লগে ব্যক্তিজন চিঞৰি কান্দিবলৈ ধৰিলে আৰু অকণমান আঁতৰি গ'ল। ইয়াৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তুমি কোৰআনৰ এই আয়াত পঢ়া নাইনে, {وَنَضَعُ الْمَوَازِينَ الْقِسْطَ لِيَوْمِ الْقِيَامَةِ فَلا تُظْلَمُ نَفْسٌ شَيْئًا} অৰ্থঃ ক্বিয়ামতৰ দিনা আমি ন্যায়বিচাৰৰ মীজান স্থাপন কৰিম, ফলত কাৰো প্ৰতি অকণো অন্যায় কৰা নহ'ব। (ছুৰা আম্বিয়াঃ ৪৭) ব্যক্তিজনে ক'লেঃ হে আল্লাহৰ ৰাছুল! মই আল্লাহৰ শপত খাই কৈছোঁ, মোৰ আৰু সিহঁতৰ মাজত পৃথক হোৱাতকৈ ভাল উপায় মই আৰু বিচাৰি পোৱা নাই। গতিকে মই আপোনাক সাক্ষী থৈ কৈছোঁ, আজিৰ পৰা সিহঁত স্বাধীন, মই সিহঁতক মুক্ত কৰিলোঁ।

[জঈফ (দুৰ্বল)] [(তিৰমিজী)]

এজন ব্যক্তি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি তেওঁৰ দাসসকলৰ আচৰণ সম্পৰ্কে অভিযোগ কৰিলে যে, সিহঁতে মিছা কথা কয়, বিশ্বাসঘাতকতা কৰে, ঠগবাজি কৰে, লগতে আদেশ অমান্য কৰে। ফলত তেওঁ সিহঁতক গালি-গালাজ কৰে আৰু এনে কাম যাতে পুনৰ কৰাৰ সাহস নাপায় তাৰ বাবে কেতিয়াবা মাৰপিটো কৰে। ইয়াৰ ফলত ক্বিয়ামতৰ দিনা ব্যক্তিজনৰ কি অৱস্থা হ'ব সেই সম্পৰ্কে তেখেতক সুধিলে। উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তোমাৰ সৈতে কৰা বিশ্বাসঘাতকতা, অবাধ্যতা, মিছা কথা আদি সকলো বিষয়ৰে হিচাপ-নিকাচ হ'ব। লগতে তুমি যে সিহঁতক শাস্তি বিহিছা তাৰো হিচাপ হ'ব। যদি সিহঁতৰ অপৰাধ অনুপাতে শাস্তি বিহা হৈছে তেন্তে ঠিকেই আছে, তোমাৰো কোনো অসুবিধা নহ'ব আৰু সিহঁতৰো কোনো অসুবিধা নহ'ব। আনহাতে সিহঁতৰ অপৰাধতকৈ তোমাৰ শাস্তিৰ পৰিমাণ যদি কম হয় তেন্তে ইয়াৰ ফলত তোমাৰ ছোৱাব আৰু মৰ্যাদা বৃদ্ধি কৰা হ'ব। এইদৰে যদি সিহঁতৰ অপৰাধৰ তুলনাত তোমাৰ শাস্তিৰ পৰিমাণ বেছি হয় তেন্তে তোমাক শাস্তি বিহা হ'ব, অৰ্থাৎ সেই পৰিমাণ ছোৱাব তোমাৰ পৰা কাঢ়ি নি সিহঁতক দিয়া হ'ব। এই কথা শুনি ব্যক্তিজনে চিঞৰি কান্দিবলৈ ধৰিলে আৰু অকণমান আঁতৰি গ'ল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক ক'লে, তুমি আল্লাহৰ কিতাবত এই আয়াত পঢ়া নাইনে, {ونضع

الموازين القسط ليوم القيامة فلا تُظلم نفسٌ شيئًا، وإن كان مثقال حبة من خردل أتينا بها وكفى بنا حاسبين} [الأنبيـــاء: 47]]

http://www.sunnah.global/hadeeth/as/show/65065